অসমীয়া বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়ৰ

# বাৰ্ষিক পত্ৰিকা

প্ৰথম সংখ্যা ।। ডিচেম্বৰ, ২০২০

Department of Assamese

Tezpur University

# ANNUAL DEPARTMENTAL BROCHURE

Vol-I, December, 2020

সম্পাদক ঃ জ্যোতিষ্মান দাস

Editor : Jyotishman Das

## থোৰতে তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগ

'অসমীয়া বিভাগ' ভাৰতবৰ্ষৰ অগ্ৰণী শিক্ষানুষ্ঠান তেজপুৰ বিশ্ববিদ্যালয়ৰ এটা নতুন বিভাগ। ২০২০ বৰ্ষত বিভাগটোৱে প্ৰতিষ্ঠা লাভ কৰে আৰু ফেব্ৰুৱাৰী মাহৰ পৰা বিভাগীয় বিদ্যায়তনিক কাম-কাজবোৰ আৰম্ভ হয়। অৱশ্যে তেজপুৰ বিশ্ববিদ্যালয়ত ২০১১ চনত প্ৰতিষ্ঠা হোৱা অসমীয়া অধ্যয়ন কেন্দ্ৰতেই অসমীয়া বিভাগৰ বীজ ৰোপিত হৈছিল বুলি ক'ব পাৰি। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ গৱেষণামূলক অধ্যয়নৰ উদ্দেশ্যেৰে প্ৰতিষ্ঠা হোৱা অসমীয়া অধ্যয়ন কেন্দ্ৰৰ উদ্যোগতে চাৰি হাজাৰৰো অধিক সাঁচিপতীয়া পুথি, দুষ্প্ৰাপ্য অসমীয়া কিতাপ আৰু গুৰুত্বপূৰ্ণ নথি-পত্ৰৰ ডিজিটাইজেশ্যনৰ কাম সম্পন্ন কৰা হৈছিল। অসমীয়া বিভাগে এই বৰ্ষৰ পৰাই স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰিছে। ডিজিটেল মানৱিকীবিদ্যা, পাঠ-সমীক্ষা আদি বিষয়ৰ অন্তৰ্ভুক্তিৰে তেজপুৰ বিশ্ববিদ্যালয়ে প্ৰস্তুত কৰা স্নাতকোত্তৰ পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীক গৱেষণাৰ প্ৰতি উৎসাহিত কৰাৰ লগতে সংস্থাপনৰ বিভিন্ন বাট মুকলি কৰি দিব বুলি আশা কৰা হৈছে। আগন্তুক বৰ্ষৰ পৰা পিএইচ. ডি পাঠ্যক্ৰম আৰম্ভ কৰিবলৈও অসমীয়া বিভাগে ইতিমধ্যে যাৱতীয় প্ৰস্তুতি আৰম্ভ কৰিছে।

## WELCOME TO THE DEPARTMENT OF ASSAMESE

The Department of Assamese, established in 2020, is a new department. However, it may be said to have begun life as the Centre for Assamese Studies which was established in 2011. The primary aim of the Centre was to undertake and foster research in Assamese language and culture and one of its achievements was the creation of an extensive digital archive of Assamese manuscripts, books, and important documents, from the medieval period to the modern. The present Department incorporates such existing facilities.

In view of the paucity of standard texts of classical and canonical works of Assamese literature (for example, the works of Madhava Kandali and Sankaradeva, Madhavadeva, Rama Saraswati and others), including concordances to the major works of Assamese literature, the Department's first programme, the post-graduate degree programme in Assamese, will incorporate courses in textual criticism/text-critical studies and digital humanities.Textual criticism/text-critical studies and digital humanities have also been identified as the thrust areas in research.



# সম্পাদকীয়

২০২০ বৰ্ষটো মানৱ সভ্যতাৰ কাৰণে এক জটিল সন্ধিক্ষণ হৈ ৰ'ব। ক'ৰনা মহামাৰীৰ বিশ্বগ্ৰাসী আতংকই মানুহৰ স্বাভাৱিক জীৱন-যাত্ৰাক  স্তব্ধ কৰি মানুহৰ জীৱনধাৰালৈ এক ব্যাপক পৰিৱৰ্তন কঢ়িয়াই আনিলে। দীঘলীয়া তলা বন্ধৰ পাছত শেহতীয়াকৈ অসমত ক'ভিড প্ৰট'কল মানি চলি আমি কিছুদূৰ স্বাভাৱিক জীৱন ঘূৰাই পাইছোঁ যদিও এতিয়াও ভৱিষ্যৎ অনিশ্চিত। এই জটিল সময়ৰ মাজতেই তেজপুৰ বিশ্ববিদ্যালয়ত অসমীয়া বিভাগে প্ৰতিষ্ঠা লাভ কৰিলে আৰু এটা বছৰ সম্পূৰ্ণ কৰাৰ পথত। তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে প্ৰতিষ্ঠাৰ সময়ৰে পৰা ক'ভিড মহামাৰীয়ে বিদ্যায়তনিক ক্ষেত্ৰলৈ কঢ়িয়াই অনা প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হ'ল। বহু প্ৰত্যাহ্বান-প্ৰতিবন্ধকতাৰ মাজেৰে বিভাগৰ তৰফৰ পৰা বিগত সময়ছোৱাত মূলতঃ অনলাইন মাধ্যেমেৰেই বিভিন্ন বিদ্যায়তনিক কাৰ্যসূচীৰ সফল ৰূপায়ণ কৰা হ'ল। লগতে স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ হ'ল। নিয়মীয়া পাঠদানো আৰম্ভ হ'ল। নিঃসন্দেহে অসমীয়া ভাষা-সাহিত্যৰ বাবে এয়া এক গুৰুত্বপূৰ্ণ মুহূৰ্ত। যোৱা ফেব্ৰুৱাৰী মাহৰ পৰা ডিচেম্বৰ মাহৰ ভিতৰৰ সময়ছোৱাত অসমীয়া বিভাগৰ উদ্যোগত সম্পন্ন হোৱা বিদ্যায়তনিক কাৰ্যক্ৰম আৰু বিভাগৰ সৈতে জড়িত অন্যান্য বিষয়ৰ এক ৰূপৰেখা দাঙি ধৰাৰ উদ্দেশ্যেৰেই এই পত্ৰিকাখন প্ৰকাশ কৰা হৈছে। প্ৰতিষ্ঠা-বৰ্ষৰ এক ঐতিহাসিক খতিয়ান হৈ থাকি যোৱাৰ লগতে বিভাগটোৰ কাৰ্যসূচীসমূহ প্ৰণালীবদ্ধ ৰূপত লিপিবদ্ধ কৰি ৰখাৰ এয়া এক আন্তৰিক প্ৰয়াস।

**জ্যোতিষ্মান দাস**
সম্পাদক

# Editor's Note

2020 has been a wearying year for all of us. The Covid-19 pandemic has brought huge changes to people's lives. Ours would be an age of uncertain tests and tribulations. The forthcoming times are unsettling too, even after the imposed lockdown and acceptance of the new normal. Amidst the hard times of the year, the department of Assamese was established at Tezpur University and now, it is about to complete one academic year. Like all other institutions of higher education our department had to face numerous challenges due to the pandemic. The usual academic activities and even the classes of master's programme have been carried out online. Despite the unexpected turns in the journey, the department has marked its presence with its various academic activities. The department has organized a few noteworthy events this year along with the academic activities. This brochure is a humble attempt to archive those events and activities, the journey of the department and its ventures into the world on its first year.

**Jyotishman Das**
Editor

# বিভাগীয় প্ৰধানৰ কলম

২০২০ চনত তেজপুৰ বিশ্ববিদ্যালয়ত অসমীয়া বিভাগে প্ৰতিষ্ঠা লাভ কৰে। ইতিমধ্যে বিভাগে বিশখন আসনেৰে দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰমৰ আৰম্ভ কৰিছে। বিভাগটোত বৰ্তমান চাৰিগৰাকী স্থায়ী শিক্ষক আছে। ২০২০ চনটো শেষ হোৱাৰ লগে লগে অসমীয়া বিভাগেও প্ৰায় এটা বছৰ অতিক্ৰম কৰিলে। বিগত সময়ছোৱাত বিভাগটোৰ জৰিয়তে সম্পন্ন হোৱা বিদ্যায়তনিক কাম-কাজৰ এক খতিয়ান এই পত্ৰিকাখনৰ যোগেদি দাঙি ধৰিবলৈ বিচৰা হৈছে। লগতে শিক্ষকসকলে নিজা বিষয় ক্ষেত্ৰত এই সময়ছোৱাত সম্পন্ন কৰা গৱেষণামূলক তথা শৈক্ষিক কৰ্মকো পত্ৰিকাখনত সন্নিৱিষ্ট কৰা হৈছে। শিক্ষক-কৰ্মচাৰীৰ পৰিশ্ৰম আৰু মৰমৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতাৰে সমৃদ্ধ বিগত সময়ছোৱাই আমাক ভৱিষ্যতক লৈও গভীৰ আশাবাদী কৰি তুলিছে। শেষত, মই এই পত্ৰিকা প্ৰকাশৰ নেপথ্যত থকা প্ৰত্যেককৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**ড° সুব্ৰত জ্যোতি নেওগ**
সহযোগী অধ্যাপক তথা বিভাগীয় প্ৰধান

# From the HoD’s Desk

The Department of Assamese was established in 2020. The department started with introduction of the two year Post Graduate programme. The Department at present has four faculty members with an intake capacity of twenty for P.G. programme. The year 2020 has come to an end and in this departmental brochure; a humble attempt has been made to give a pen picture of various activities of the newly established department. In the academic sphere, the contribution of the faculty members in their respected field is worth mentioning. The involvement of the students in different online activities is also encouraging. We wish with each passing year our endeavor will achieve more perfection. At last, I extend my greetings and appreciation to all those associated with publishing of the departmental brochure.

**Dr. Subrat Jyoti Neog**
Associate Professor and Head

## আলোচনা-সত্ৰ

### ‘সাম্প্ৰতিক অসমীয়া সাহিত্য (২০০০-২০২০)’ বিষয়ক ৱেবিনাৰ

তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ১২ জুন, ২০২০ তাৰিখে ‘সাম্প্ৰতিক অসমীয়া সাহিত্য (২০০০-২০২০)’ বিষয়ক এখন ৱেবিনাৰ সম্পন্ন হয়। গুগল মীটৰ জৰিয়তে সম্পন্ন হোৱা ৱেবিনাৰখন ছাত্ৰ-ছাত্ৰী আৰু আগ্ৰহীসকলৰ প্ৰতি লক্ষ্য ৰাখি ফেইচবুক লাইভ্‌যোগে প্ৰচাৰ কৰা হৈছিল। দুয়োটা মাধ্যমতে সহস্ৰাধিক অংশগ্ৰহণকাৰীয়ে এই ৱেবিনাৰখনত অংশগ্ৰহণ কৰে। তেজপুৰ বিশ্ববিদ্যালয়ৰ মানৱিকী অধ্যয়ন আৰু সমাজ বিজ্ঞানৰ ডীন অধ্যাপক প্ৰশান্ত কুমাৰ দাসে পুৱা চাৰে দহ বজাৰ পৰা আৰম্ভ হোৱা ৱেবিনাৰখনৰ আৰম্ভণী ভাষণত তেজপুৰ বিশ্ববিদ্যালয়ত নতুনকৈ প্ৰতিষ্ঠা হোৱা অসমীয়া বিভাগটোৰ এক পৰিচয় আগবঢ়োৱাৰ লগতে সকলোকে স্বাগত সম্ভাষণ জনায়। ৱেবিনাৰখন উদ্বোধন কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য বিনোদ কুমাৰ জৈনে। উদ্বোধকৰ বক্তব্যত তেখেতে অসমীয়া সাহিত্যৰ ঐতিহ্য সন্দৰ্ভত বক্তব্য প্ৰদান কৰাৰ লগতে সমাজ আৰু মানৱীয় সম্পৰ্কৰ প্ৰতিফলক হিচাপে সাহিত্যৰ গুৰুত্ব সন্দৰ্ভত কয়। উদ্বোধকৰ মন্তব্যৰ পাছতে ‘সাম্প্ৰতিক অসমীয়া উপন্যাস (২০০০-২০২০)’ বিষয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক বিভাস চৌধুৰীয়ে আলোচনা আগবঢ়ায়। তেখেতে নিৰ্বাচিত সময়ছোৱাত অসমীয়া উপন্যাস চৰ্চাত পৰিলক্ষিত হোৱা পৰীক্ষা-নিৰীক্ষাৰ সন্দৰ্ভত বিশদভাৱে আলোকপাত কৰে। অধ্যাপক বিভাস চৌধুৰীৰ আলোচনাৰ পাছতে ‘সাম্প্ৰতিক অসমীয়া গল্প (২০০০-২০২০)’ সন্দৰ্ভত বিশদভাৱে আলোচনা আগবঢ়ায় নগাঁৱৰ এ. ডি. পি. কলেজৰ অধ্যাপক তথা সাহিত্য সমালোচক অৰিন্দম বৰকটকীয়ে। অৰিন্দম বৰকটকীৰ সাৰগৰ্ভ আলোচনাৰ পাছতে ৱেবিনাৰৰ প্ৰথম অধিৱেশনৰ সামৰণি পৰে। বিয়লি তিনি বজাৰ পৰা ৱেবিনাৰৰ দ্বিতীয় অধিৱেশন আৰম্ভ হয়। অসমৰ বিশিষ্ট নাট পৰিচালক, অভিনেতা গুণাকৰ দেৱগোস্বামীয়ে অসমীয়া নাটকৰ পৃষ্ঠভূমি আৰু ইতিহাসৰ আভাস দি ‘সাম্প্ৰতিক সময়ৰ অসমীয়া নাটক’ৰ গতি-প্ৰকৃতি সম্বন্ধে আলোচনা আগবঢ়ায়। ইয়াৰ পিছতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক এম. কামালুদ্দিন আহমেদে ‘অসমীয়া কবিতা (২০০০-২০২০)’ বিষয়ক বক্তৃতা আগবঢ়ায়। তেখেতে আলোচনাৰ আৰম্ভণিতে এই সময়ছোৱাৰ অসমীয়া কবিতাৰ বৌদ্ধিক-ৰাজনৈতিক-সামাজিক পটভূমি সম্পৰ্কে বিশ্ব, ভাৰত আৰু অসমৰ প্ৰেক্ষাপটত আলোকপাত কৰে। আলোচনাসমূহৰ পাছত সমল ব্যক্তিসকলে অংশগ্ৰহণকাৰীৰ নিৰ্বাচিত প্ৰশ্নসমূহৰ উত্তৰ দিয়ে। বিভাগীয় প্ৰধান সুব্ৰত জ্যোতি নেওগৰ লগতে সহকাৰী অধ্যাপক জুৰি দত্ত, সঞ্জীৱ পল ডেকা আৰু জ্যোতিষ্মান দাসে ৱেবিনাৰৰ বিভিন্ন কাৰ্যক্ৰমৰ আঁত ধৰে। বিয়লি পাঁচ বজাত বিভাগীয় প্ৰধান সুব্ৰতজ্যোতি নেওগে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰি ৱেবিনাৰৰ সামৰণি মাৰে।

## WEBINAR

### A National Webinar on ‘Contemporary Assamese Literature (2000-2020)’

A webinar on Contemporary Assamese Literature (2000-2020) was organized by the Department of Assamese, Tezpur University on 12th June, 2020. The inaugural session was started at 10:30 am. Professor Prasanta Kumar Das, Dean, Humanities and Social Sciences, Tezpur University welcomed the Vice-chancellor, Tezpur University, the speakers of the webinar and the participants to the first event organized by the newly established Department of Assamese. Followed by the brief welcome address, Professor Vinod Kumar Jain, Vice-chancellor, Tezpur University inaugurated the webinar with an encouraging speech. In his inaugural address, he gave an overview of Assamese literature in brief and also talked about the importance of literature as a reflection of human relationship. The first presentation of the webinar titled “Contemporary Assamese Novel (2000-2020)” and it was delivered by Professor Bibhas Chaudhury, eminent critic and Professor, Department of English, Gauhati University. The second lecture entitled “Contemporary Assamese Short Story (2000-2020)” was delivered by Arindom Borkataki, eminent critic and Assistant Professor, Department of English, Anandaram Dhekial Phookan College, Nagaon. The second session of the webinar and the third lecture was held at 3 pm with Gunakar Deva Goswami’s presentation on “Contemporary Assamese Drama (2000-2020)”. Deva Goswami, an eminent theatre personality of Assam focussed on three kinds of Assamese plays, namely one act play, plays of mobile theatre and that of the amateur groups. The fourth and last lecture on “Contemporary Assamese Poetry (2000-2020)” was delivered by Professor M. Kamaluddin Ahmed, an eminent poet and critic and a professor of the Department of Assamese, Gauhati University. Elaborating the socio-political and intellectual background of Assamese poetry, he focussed on the manifold trends of contemporary Assamese poetry. Each panellist also took part in the question-answer session after presentation. The webinar ended at 5 pm with the vote of thanks offered by Subrat Jyoti Neog, Associate Professor and Head, Department of Assamese, Tezpur University. The webinar was held through Google Meet app and it was also being lived in Facebook. More than 1100 participants participated in the Facebook Live programme.

## কৰ্মশালা

### ‘Professional Curriculum Development’ শীৰ্ষক কৰ্মশালা

তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত যোৱা ১৭ জুলাই, ২০২০ তাৰিখে ‘Professional Curriculum Development’ বিষয়ক এখন কৰ্মশালা অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়ৰ শিক্ষণ-শিকন কেন্দ্ৰৰ সহযোগত অনুষ্ঠিত কৰ্মশালাৰ উদ্বোধন কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ মানৱিকী বিদ্যা আৰু সমাজ বিজ্ঞানৰ ডীন অধ্যাপক প্ৰশান্ত কুমাৰ দাসে। কৰ্মশালাৰ প্ৰথম অধিৱেশনত অসমীয়া বিভাগৰ প্ৰস্তাৱিত স্নাতকোত্তৰ পাঠ্যক্ৰম সন্দৰ্ভত অসমৰ বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক অধ্যাপক নগেন শইকীয়া, প্ৰথিতযশা সমালোচক-শিক্ষাবিদ অধ্যাপক ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামী, বিশিষ্ট ভাষাবিজ্ঞানী ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাই নিজা পৰামৰ্শ আৰু পৰ্যালোচনা আগবঢ়ায়। তিনিওগৰাকী অধ্যাপকে নতুনকৈ প্ৰতিষ্ঠা হোৱা অসমীয়া বিভাগটোলৈ শুভেচ্ছা জ্ঞাপন কৰে। তেজপুৰ বিশ্ববিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ আসনৰ ভূতপূৰ্ব অধ্যাপক ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামীয়ে উপাচাৰ্য বিনোদ কুমাৰ জৈনৰ নেতৃত্বত তেজপুৰ বিশ্ববিদ্যালয়ত পূৰ্ণাঙ্গ অসমীয়া বিভাগ প্ৰতিষ্ঠা হোৱাৰ বাবে উপাচাৰ্যগৰাকীৰ শলাগ লয় আৰু কৰ্মশালাৰ এই দিনটোক অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ বিদ্যায়তনিক ক্ষেত্ৰখনত এক ঐতিহাসিক মুহূৰ্ত বুলি অভিহিত কৰে। অধ্যাপক নগেন শইকীয়া আৰু ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাই অসমীয়া বিভাগটোৰ উত্তৰোত্তৰ উন্নতি কামনা কৰে আৰু অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ চৰ্চাত তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে এক যুগান্তকাৰী ভূমিকা গ্ৰহণ কৰিব বুলি আশা ব্যক্ত কৰে। কৰ্মশালাৰ দ্বিতীয় অধিৱেশন উদ্বোধন কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ শিক্ষণ-শিকন কেন্দ্ৰৰ সঞ্চালক অধ্যাপক মৃণ্ময় কুমাৰ শৰ্মাই। দ্বিতীয় অধিৱেশনত দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপক পুনম বাত্ৰাই Designing Curriculum for Humanities and Social Sciences : What should be our Concerns and Deliberation? বিষয়ত এক সাৰগৰ্ভ বক্তব্য প্ৰদান কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা নীৰাজনা মহন্ত বেজবৰাই P.G. Level Assamese Curriculum and Professional Development Oppourtunities for Teachers বিষয়ত বক্তব্য প্ৰদান কৰাৰ লগতে অসমীয়া বিভাগৰ পাঠ্যক্ৰমৰ সীমাবদ্ধতা আৰু সম্ভাৱনা সন্দৰ্ভত বিশদ আলোচনা কৰে। বিভাগীয় প্ৰধান সুব্ৰত জ্যোতি নেওগৰ লগতে সহকাৰী অধ্যাপক জুৰি দত্ত, সঞ্জীৱ পল ডেকা আৰু জ্যোতিষ্মান দাসে কৰ্মশালাৰ বিভিন্ন কাৰ্যসূচীৰ আঁত ধৰে।

## WORKSHOP

### An workshop on Professional Curriculum Development

Department of Assamese, Tezpur University in collaboration with Teaching Learning Centre, TU organized a one-day workshop on Professional Curriculum Development on 17th July, 2020. The first session of the workshop started at 9:30 am and it was inaugurated by Professor Prasanta Kumar Das, Dean, Humanities and Social Sciences, Tezpur University, in which three distinguished academics of Assam namely Professor Nagen Saikia, Professor Ranjit Kumar Dev Goswami and Professor Phanindra Narayan Dutta Barua took part and put forward their valuable suggestions on the draft syllabi of the newly established Department of Assamese, Tezpur University. Professor Ranjit Kumar Dev Goswami, who also adorned the prestigious Srimanta Sankaradeva Chair of the university, marked the day as historic moment and expressed his gratitude to the Vice-Chancellor, Tezpur University, Professor Vinod Kumar Jain for establishing the much-awaited Department of Assamese.Professor Nagen Saikia and Professor P N Dutta Barua anticipated that the new Department will make substantial contributions towards the development of Assamese language, literature and culture. Professor Mrinmoy Kumar Sarma, Director, Teaching Learning Centre, Tezpur University inaugurated the second technical session which started at 3 pm. Followed by the inaugural address, Professor Poonam Batra, distinguished educationist and Professor, Department of Education, University of Delhi, delivered her lecture on “Designing Curriculum for Humanities and Social Sciences: What Should be our Concerns and Deliberation?” In her insightful lecture, Batra emphasized on the ideas of democracy, secularism and plurality of India while preparing syllabi for Humanities and Social Sciences. The last lecture of the workshop entitled “P. G. Level Assamese Curriculum and Professional Development Opportunities for Teachers” was delivered by Professor Nirajana Mahanta Bezbora from Department of Assamese, Dibrugarh University. The workshop was held through online mode and all the faculty members of the Department of Assamese, Tezpur University actively participated in the workshop by sitting in the auditorium, TLC, TU.



## অনলাইন ‘শিক্ষকৰ দক্ষতা বিকাশ অনুষ্ঠান (FDP)’

তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে তেজপুৰ বিশ্ববিদ্যালয়ৰ শিক্ষণ-শিকন কেন্দ্ৰৰ সহযোগত যোৱা ২৮ ডিচেম্বৰ, ২০২০ ৰ পৰা ২ জানুৱাৰী, ২০২০ লৈ এটা Online Faculty Development Programme অনুষ্ঠিত কৰে। অনুষ্ঠানৰ সমন্বয়কৰ দায়িত্ব পালন কৰে বিভাগৰ সহকাৰী অধ্যাপক সঞ্জীৱ ডেকাই। অৰ্ধশতাধিক শিক্ষকে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। সাহিত্য-তত্ত্ব আৰু সাহিত্য সমালোচনাৰ নতুন ধাৰাৰ সৈতে অংশগ্ৰহণকাৰীসকলক পৰিচয় কৰি দিয়াৰ উদ্দেশ্যেৰে আয়োজন কৰা এই অনুষ্ঠানত দেশ-বিদেশৰ কেইবাগৰাকী প্ৰথিতযশা শিক্ষাবিদ-অধ্যাপকে নিৰ্দিষ্ট বিষয় সন্দৰ্ভত সাৰগৰ্ভ বক্তব্য আগবঢ়ায়। বিভাগীয় প্ৰধান সুব্ৰত জ্যোতি নেওগৰ আদৰণীমূলক ভাষণেৰে আৰম্ভ হোৱা উদ্বোধনী অনুষ্ঠানৰ উদ্বোধকৰ বক্তব্য প্ৰদান কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ শিক্ষণ-শিকন কেন্দ্ৰৰ সঞ্চালক মৃণ্ময় কুমাৰ শৰ্মাই। মুখ্য অতিথি হিচাপে উপস্থিত থাকে কলকাতাৰ বিখ্যাত লেখক ৰামকুমাৰ উপাধ্যায়। মুঠ সোতৰটা বিষয়ৰ বক্তৃতাৰে সম্পন্ন হোৱা এই অনুষ্ঠানৰ বক্তাসকল আছিল — মদন মোহন শৰ্মা, প্ৰদীপ খাটনিয়াৰ, অৰূপজ্যোতি শইকীয়া, বিভাস চৌধুৰী, এম. কামালুদ্দিন আহমেদ, মনোজ বৰপূজাৰী, অমৃত আৰ বৈশ্য, অভিজিৎ বৰা, শিখৰ কুমাৰ শৰ্মা, ৰাখী কলিতা মৰল, চন্দন কুমাৰ শৰ্মা, মৃণ্ময় প্ৰামানিক, অভিনিৱেশ শৰ্মা, ভাস্কৰজিৎ নেওগ, সঞ্জীৱ চাহু আৰু জ্যোতিৰ্ময় তালুকদাৰ। সামৰণি অনুষ্ঠানত বিশিষ্ট লেখক-অধ্যাপক পোনা মহন্তই মুখ্য অতিথি হিচাপে বক্তব্য প্ৰদান কৰে।

## Online Faculty Development Programme (FDP) in Assamese

Department of Assamese, Tezpur University in collaboration with Teaching Learning Centre (TLC), Tezpur University organized a weeklong online Faculty Development Programme in Assamese during 28th December 2020 and 2nd January 2021 which was coordinated by Assistant Professor Dr. Sanjib Deka. More than fifty teachers from various institutions took part in the FDP. The FDP in Assamese is proposed with the objective to acquaint the participants, teachers of Assamese literature and language, with the emerging trends in literary theory and criticism. The FDP brought together academicians and experts representing various research fields: philosophy, history, cultural studies, literary studies, film studies, and gender studies and served as a platform for sharing their knowledge, experiences and research findings to inform and renew the participants' knowledge. Followed by the brief welcome address and remarks by Subrat Jyoti Neog, HoD, Professor Mrinmay K Sarma, Director, TLC inaugurated the FDP with an encouraging speech. Eminent writer Dr. Ramkumar Mukhopadhyay was the Chief Guest of the inaugural ceremony. The FDP consisted of 17 lectures and three activity session .The speakers of the FDP were Madan M Sarma (Former Professor, Dept.of English, TU), Prodip Khataniar (Former Professor, Dept.of Philosophy, Cotton University), Arupjyoti Saikia (Dept.of HSS, IIT Guwahati), Amit R Baishya (Dept.of English, University of Oklahoma, USA), Bibhas Chaudhury (Dept.of English, Gauhati University), M Kamaluddin Ahmed (Dept.of Assamese, Gauhati University), Manoj Borpujari (Prolific Writer and eminent film-critic), Abhijit Bora (Dept. of MCJ, TU), Sikhar Kr. Sarma (Gauhati University), Rakhee Kalita Moral (Dept.of English, Cotton University), Chandan Kumar Sharma (Dept.of History, Dibrugarh University), Mrinmoy Pramanick (University of Calcutta), Avinibesh Sarma ( Kolkata Institute of Art Conservation), Bhaskarjit Neog (JNU, New Delhi), Sanjib Sahoo (Dept.of English, Tezpur University), Jyotirmoy Talukdar (Centre for writing and Communication, Ashoka University). Professor Pona Mahanta, Eminent writer and Former Professor, Department of English, Dibrugarh University was the chief guest of the validictory session.






## ‘সৌন্দৰ্যতত্ত্ব আৰু সাহিত্য’ বিষয়ক মনোজ্ঞ আলোচনা (বক্তা ঃ নগেন শইকীয়া)

অসমীয়া বিভাগৰ উদ্যোগত আয়োজিত ‘বিশেষ বক্তৃতামালা’ৰ প্ৰথমটো বক্তৃতা ১২ নৱেম্বৰ, ২০২০ তাৰিখে অনুষ্ঠিত হয়। এই বিশেষ বক্তৃতানুষ্ঠানত ‘সৌন্দৰ্যতত্ত্ব আৰু সাহিত্য’ শীৰ্ষক বিষয়ত বিশিষ্ট সাহিত্যিক-চিন্তাবিদ, অধ্যাপক নগেন শইকীয়াই এক সাৰগৰ্ভ আলোচনা আগবঢ়ায়। দিনৰ এঘাৰ বজাৰ পৰা গুগল মীটৰ জৰিয়তে অনুষ্ঠিত হোৱা এই অনুষ্ঠানত অৰ্ধশতাধিক অংশগ্ৰহণকাৰীয়ে অংশগ্ৰহণ কৰে। বিভাগীয় প্ৰধান সুব্ৰতজ্যোতি নেওগে আঁত ধৰা অনুষ্ঠানটিত বক্তা নগেন শইকীয়াই সৌন্দৰ্য সম্পৰ্কীয় প্ৰাচ্য আৰু পাশ্চাত্য চিন্তাৰ আভাস দিয়াৰ লগতে সাহিত্যৰ সৌন্দৰ্য বিচাৰৰ বিভিন্ন দিশৰ সম্ভেদ দিয়ে। অসমীয়া ভাষাত ‘সৌন্দৰ্য’ বিষয়ক পূৰ্ণাংগ গ্ৰন্থ আজিলৈকে প্ৰণয়ন নোহোৱাৰ কথা উত্থাপন কৰি তেখেতে তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগক এনে উদ্যোগ ল’বলৈ আহ্বান জনায়। বক্তৃতানুষ্ঠানৰ পাছত শ্ৰদ্ধাৰ নগেন শইকীয়াৰ লগত ছাত্ৰ-ছাত্ৰী তথা অংশগ্ৰহণকাৰীসকলৰ এক মত-বিনিময়ৰ অনুষ্ঠান হয়। মত-বিনিময় অনুষ্ঠানত তেজপুৰ বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপিকা তথা বিশিষ্ট গল্পকাৰ মৌচুমী কন্দলী, সহকাৰী অধ্যাপিকা জুৰি দত্ত, ছাত্ৰ কিৰণ দাস, নয়ন চেতিয়া আদিয়ে অংশগ্ৰহণ কৰে।

## Professor Nagen Saikia’s Lecture on ‘Aesthtics and Literature’

The First lecture of the series of special lectures organized by Department of Assamese, held on 12th November, 2020. Through the medium of ‘Google Meet’, Speaker eminent litterateur and intellectual Professor Nagen Saikia gave a thought provoking lecture on ‘Aesthetics and Literature’. Head of the department, Dr. Subrat Jyoti Neog conducted the programme, where in the ‘Conversation Session’ with Prof. Saikia, Assistant. Professor Dr. Mausumi Kandali, Asst. Professor Dr. Juri Dutta, Student Kiran Das and Nayan Chetia etc. have joined.







## ‘মাধৱ কন্দলিৰ *ৰামায়ণৰ* ভাষা’ বিষয়ক বক্তৃতা (বক্তা ঃ লীলাৱতী শইকীয়া বৰা)

১৮ নৱেম্বৰ, ২০২০ তাৰিখে অসমীয়া বিভাগৰ উদ্যোগত আয়োজিত বিশেষ বক্তৃতানুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপিকা লীলাৱতী শইকীয়া বৰাই ‘মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষা’ বিষয়ক এক বক্তৃতা প্ৰদান কৰে। মাধৱ কন্দলিৰ ৰামায়ণৰ পটভূমি আৰু অসমীয়া সাহিত্যৰ ইতিহাসত মাধৱ কন্দলিৰ ৰামায়ণৰ গুৰুত্বৰ বিষয়ে পৰিচয়জ্ঞাপক আলোচনা আগবঢ়াই লীলাৱতী শইকীয়া বৰাই ভাষিক বৈশিষ্ট্যসমূহৰ বিশ্লেষণ আগবঢ়ায়। তেখেতৰ বক্তব্যত মধ্যযুগৰ অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতি আৰু সমকালীন সমাজ জীৱনৰো বহু দিশ উন্মোচিত হয়। লীলাৱতী শইকীয়া বৰাৰ বক্তব্যৰ পাছত বিষয় সন্দৰ্ভত অংশগ্ৰহণকাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ এক মত-বিনিময়ৰ অনুষ্ঠান অনুষ্ঠিত হয়। বিভাগৰ সহকাৰী অধ্যাপক সঞ্জীৱ পল ডেকাই আঁত ধৰা অনুষ্ঠানটিৰ আদৰণী আৰু সামৰণী মন্তব্য প্ৰদান কৰে বিভাগৰ মুৰব্বী অধ্যাপক সুব্ৰতজ্যোতি নেওগে।

## Lilabati Saikia Bora on ‘The Language of Madhava Kandali’s *Ramayana*’

The Second lecture of the series, held on 18th November, 2020, was given by Lilabati Saikia Bora, Gauhati University’s former professor and renowned linguist on ‘The Language of Madhava Kandali’s Ramayana’. Asst. Professor Dr. Sanjib Pol Deka conducted the programme, where in the conversation with Prof. Saikia Bora, student Debasish Buragohain, Ripu Kachari, Pranchi Bora, Azizur Rahman have asked some questions about Medieval Assamese Literature and Language and also about her works. Inagural Speech and Vote of Thanks were given by Head of the Department Dr. Subrat Jyoti Neog.

# অধ্যাপক লীলা গগৈৰ জন্মবাৰ্ষিকী উপলক্ষে বিশেষ বক্তৃতানুষ্ঠান

## ‘ডিজিটেল মানৱিকীবিদ্যা আৰু সংস্কৃতি’ বিষয়ত অধ্যাপক স্যামন্তক দাসৰ সাৰগৰ্ভ বক্তৃতা

অসমীয়া বিভাগৰ উদ্যোগত আৰু অধ্যাপক লীলা গগৈৰ পৰিয়ালৰ সহযোগত অধ্যাপক লীলা গগৈৰ জন্মবাৰ্ষিকী উপলক্ষে ২৫ নৱেম্বৰৰ পুৱা এঘাৰ বজাৰ পৰা ‘ডিজিটেল মানৱিকীবিদ্যা আৰু সংস্কৃতি’ (Digital Humanities and Culture) বিষয়ক এক বিশেষ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী সুব্ৰত জ্যোতি নেওগে আৰম্ভণি কৰা অনুষ্ঠানটোৰ আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক সঞ্জীৱ পল ডেকাই। বক্তৃতানুষ্ঠানৰ উদ্বোধক হিচাপে উপস্থিত থাকে তেজপুৰ বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য বিনোদ কুমাৰ জৈন। উদ্বোধনী ভাষণত তেখেতে জ্ঞানচৰ্চাৰ নতুন ক্ষেত্ৰ হিচাপে ডিজিটেল মানৱিকী বিদ্যাৰ উত্থান আৰু ইয়াৰ প্ৰাসংগিকতা সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। মুখ্য অতিথি হিচাপে উপস্থিত থকা প্ৰথিতযশা সাহিত্যিক-বুদ্ধিজীৱী অধ্যাপক নগেন শইকীয়াই লীলা গগৈৰ জীৱন আৰু কৰ্মৰাজিৰ সন্দৰ্ভত এক আলোচনা আগবঢ়ায়। তেখেতৰ বক্তব্যৰ জৰিয়তে অসমীয়া সংস্কৃতি চৰ্চা আৰু সাহিত্যত লীলা গগৈৰ অৱদানৰ বিভিন্ন দিশ উন্মোচিত হয়। অধ্যাপক লীলা গগৈৰ পৰিয়ালৰ হৈ তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক বলিন কুমাৰ কোঁৱৰে লীলা গগৈৰ সান্নিধ্য স্মৰণ কৰাৰ লগতে তেখেতৰ কৰ্মজীৱনৰ বিষয়ে মন্তব্য প্ৰদান কৰে। ইয়াৰ পাছতে যাদৱপুৰ বিশ্ববিদ্যালয়ৰ তুলনামূলক সাহিত্য বিভাগৰ অধ্যাপক, বিশিষ্ট গৱেষক স্যামন্তক দাসে ‘ডিজিটেল মানৱিকীবিদ্যা আৰু সংস্কৃতি’ বিষয়ত তেখেতৰ সাৰগৰ্ভ বক্তৃতা আগবঢ়ায়। তেখেতৰ বক্তব্যত ডিজিটেল যুগে সাহিত্য-সংস্কৃতি চৰ্চালৈ কঢ়িয়াই অনা যুগান্তকাৰী পৰিৱৰ্তন, বিদ্যায়তনিক গৱেষণাত ডিজিটেল মাধ্যমৰ গুৰুত্ব, জ্ঞান চৰ্চাক ডিজিটেল মানৱিকীবিদ্যাই প্ৰদান কৰা নতুন মাত্ৰা, সংস্কৃতিক উপাদানৰ ডিজিটেল সংৰক্ষণ আদি বিষয় আৰু প্ৰসংগই স্থান লাভ কৰে। উল্লেখযোগ্য যে, তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত ডিজিটেল মানৱিকীবিদ্যাৰ এক পাঠ্যক্ৰমৰো অন্তৰ্ভুক্ত কৰা হৈছে। স্যামন্তক দাসৰ বক্তৃতাৰ পাছত বিষয় সন্দৰ্ভত তেখেতৰ সৈতে এক মত-বিনিময় অনুষ্ঠান হয়। তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক বলিন কুমাৰ কোঁৱৰ, পৰশমণি দত্ত, মৌচুমী কন্দলী আদিয়ে আলোচনাত অংশগ্ৰহণ কৰে। অৰ্ধশতাধিক অংশগ্ৰহণকাৰীৰ উপস্থিতিত গুগল মীটৰ জৰিয়তে সম্পন্ন হোৱা অনুষ্ঠানটো অসমীয়া বিভাগৰ ইউটিউব চেনেলযোগেৰেও পোনপটীয়া সম্প্ৰচাৰ হয়।




## A Special Lecture on the occasion of Prof. Lila Gogoi’s Birth Anniversary

With the co-operation from the family of Prof. Lila Gogoi, Department of Assamese of Tezpur University organized a special lecture on the occasion of Prof. Lila Gogoi’s birth anniversary on 25th November, 2020. The topic of the lecture was ‘Digital Humanities and Culture’. The programme began with a welome address by Dr. Subrat Jytoi Neog and conducted by Asst. Prof. Dr. Sanjib Pol Deka. Professor Vinod Kumar Jain, Vice-chancellor, Tezpur University inaugurated the programme with an encouraging speech on ‘Digital Humanities’. From the chair of chief guest Prof. Nagen Saikia highlighted the life and works of Prof. Lila Gogoi. On behalf of the family of Prof. Gogoi, Asst. Prof. Balin Kumar Konwar spoke about his experience with Prof. Lila Gogoi. Resource Person Samantak Das from Jadavpur University gave a thought provoking speech on the topic of ‘Digital Humanities and Culture’. Tezpur University’s faculty members, Balin Kr. Konwar, Mausumi Kandali, Parashmoni Dutta took part in the interaction session with the Resource person Prof. Das, More than fifty participants joined the programme through Google Meet. The programme went on air live through the official youtube channel of Department of Assamese, Tezpur University.

## ‘প্ৰাচীন আৰু মধ্যযুগৰ অসমত ৰাষ্ট্ৰ-গঠন প্ৰক্ৰিয়া’ বিষয়ক বক্তৃতা (বক্তা ঃ চন্দন কুমাৰ শৰ্মা)

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ড° চন্দন কুমাৰ শৰ্মাই ৩০ নৱেম্বৰ, ২০২০ তাৰিখে ‘প্ৰাচীন আৰু মধ্যযুগৰ অসমৰ ৰাষ্ট্ৰ-গঠন প্ৰক্ৰিয়া’ বিষয়ত এক সাৰগৰ্ভ আৰু তথ্যপূৰ্ণ বক্তব্য আগবঢ়ায়। অসমীয়া বিভাগৰ উদ্যোগত আয়োজিত এই বিশেষ বক্তৃতানুষ্ঠানত চন্দন কুমাৰ শৰ্মাই আলোচনাৰ আৰম্ভণীতে ৰাষ্ট্ৰ গঠনৰ ভাৰতীয় পটভূমিৰ আভাস প্ৰদান কৰি সামন্তবাদৰ বিকাশৰ ভাৰতীয় প্ৰেক্ষাপটৰ পৰিচয় দিয়ে। ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াৰ লগত অসমীয়াৰ দৰে প্ৰান্তীয় ভাষা-সাহিত্যৰ উত্থান-বিকাশৰ ঐতিহাসিক পৰিক্ৰমাৰ সম্পৰ্কে সম্বন্ধেও তেখেতে আলোচনা কৰে। আলোচনাৰ অন্তত অংশগ্ৰহণকাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সৈতে ড° শৰ্মাৰ এক মত-বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। সহকাৰী অধ্যাপক সঞ্জীৱ পল ডেকাই অনুষ্ঠানটোৰ আঁত ধৰে।

### Lecture on ‘State formation process in early and medieval Assam’ by Chandan Kumar Sharma

Third lecture of the series of special lecture, held on 30th November, 2020. Head of the department of History, Dibrugarh University Chandan Kr. Sharma gave a significant speech on State formation process in early and medieval Assam. Asst. Prof. Dr. Sanjib Pol Deka conducted the whole programme. A conversation between speaker Sharma and participants and students also took place.

## ‘ডিজিটেল মানৱিকীবিদ্যাৰ গুৰুত্ব’ বিষয়ক বক্তৃতা (বক্তা ঃ ময়ূৰাক্ষী চৌধুৰী)

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান - যোধপুৰৰ সমাজতত্ত্বৰ সহকাৰী অধ্যাপক আৰু ডিজিটেল মানৱিকীবিদ্যাৰ সমন্বয়ক ড° ময়ূৰাক্ষী চৌধুৰীয়ে ১০ ডিচেম্বৰৰ বিয়লি চাৰি বজাৰ পৰা ‘ডিজিটেল মানৱিকীবিদ্যাৰ গুৰুত্ব’ বিষয়ত এক বক্তৃতা প্ৰদান কৰে। অসমীয়া বিভাগৰ উদ্যোগত আয়োজিত এই বক্তৃতাত তেখেতে সাম্প্ৰতিক বিদ্যায়তনিক ক্ষেত্ৰত ডিজিটেল মানৱিকীবিদ্যাৰ গুৰুত্ব সন্দৰ্ভত বিশদ আলোচনা কৰে। লগতে ‘ডিজিটেল মানৱিকীবিদ্যা’ৰ ঐতিহাসিক পটভূমিক, গতি-প্ৰকৃতি, পৰিসৰ আৰু সম্ভাৱনাৰ বিষয়েও তথ্যসমৃদ্ধ বক্তৃতা আগবঢ়ায়। সহকাৰী অধ্যাপিকা জুৰি দত্তই আঁত ধৰা বক্তৃতানুষ্ঠানৰ আদৰণী আৰু সামৰণী মন্তব্য প্ৰদান কৰে বিভাগীয় মুৰব্বী সুব্ৰত জ্যোতি নেওগে।



*Speaker : Dr. M. Chaudhury*
*IIT-Jodhpur*

### Dr. Mayurakshi Chaudhuri’s lecture on ‘Importance of Digital Humanities’

Dr. Mayurakshi Chaudhuri, Assistant Professor of Dept. of Sociology of Indian Institute of Techhnology, Jodhpur gave the fourth lecture of the series on 10th December, 2020. (The programme started with a welcome address by Dr. Subrat Jyoti Neog. In the speech cum presentation, Dr. Chaudhuri discussed the importance of Digital Humanities in contemporary academic study. She also covered the history, background, development and range of Digital Humanities in her speech. Asst. Prof. Dr. Juri Dutta conducted the programme.

## ‘ডিজিটেল মানৱিকীবিদ্যা আৰু সাহিত্য’ বিষয়ক বক্তৃতা (বক্তা ঃ অৰ্জুন ঘোষ)

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান দিল্লীৰ মানৱিকীবিদ্যা আৰু সমাজ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° অৰ্জুন ঘোষে ১৬ ডিচেম্বৰত ‘ডিজিটেল মানৱিকীবিদ্যা আৰু সাহিত্য’ বিষয়ত এক বক্তৃতা প্ৰদান কৰে। ডিজিটেল মানৱিকীবিদ্যাই সাহিত্যৰ ক্ষেত্ৰখনলৈ কঢ়িয়াই অনা সম্ভাৱনাৰ বিভিন্ন দিশ তেখেতৰ বক্তব্যৰ দ্বাৰা উন্মোচিত হয়। সহকাৰী অধ্যাপক জ্যোতিষ্মান দাসে অনুষ্ঠানটোৰ সঞ্চালনা কৰে।



*Speaker : Dr. Arjun Ghosh*
*IIT-Delhi*

### Dr. Arjun Ghosh’s on ‘Digital Humanities and Literature’

Fifth lecture of the series of special lecture, held on 16th December, 2020. Associate. Prof. of the department of Humanities and Social Sciences, IIT Delhi Dr. Arjun Ghosh gave a significant speech on Digital Humanities and Literature. In his speech he also discussed about the aspect of digital humanities in the field of Literature. Asst. Prof. Jyotishman Das conducted the whole programme.

## ‘ক্ৰমবিকাশত অসমীয়া লিপি’ বিষয়ক বক্তৃতা (বক্তা ঃ কনক চন্দ্ৰ চহৰীয়া)

২৬ ডিচেম্বৰ, ২০২০ তাৰিখে অসমীয়া বিভাগৰ উদ্যোগত আয়োজিত ‘ক্ৰমবিকাশত অসমীয়া লিপি’ শীৰ্ষক বক্তৃতা প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক কনক চন্দ্ৰ চহৰীয়াই। অনুষ্ঠানটোৰ আঁত ধৰে সহকাৰী অধ্যাপক জ্যোতিষ্মান দাসে। বক্তা কনক চন্দ্ৰ চহৰীয়াই অসমীয়া লিপিৰ উদ্ভৱৰ ঐতিহাসিক প্ৰেক্ষাপটৰ ক্ৰমবিকাশৰ বিভিন্ন পৰ্যায় সম্বন্ধে তথ্যপূৰ্ণ আলোচনা আগবঢ়ায়। তেখেতৰ বক্তৃতাৰ পিছতে অংশগ্ৰহণকাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে বক্তাৰ এক মত-বিনিময়ৰ অনুষ্ঠান অনুষ্ঠিত হয়।

### Kanak Ch. Saharia on ‘Evolution of Assamese Script’

Kanak Ch. Saharia, Prof. of Gauhati University gave the sixth lecture of the series on 26th December, 2020. The subject of the lecture was, ‘Evolution of Assamese Script’. Speaker Saharia discussed about the Historical evolution of Assamese script up to present era. Students of Assamese Department participated in an interaction session with the speaker Kanak Ch. Saharia.

# PUBLICATIONS AND ACADEMIC ACTIVITIES OF FACULTY (January-December, 2020)



ড° সুব্ৰত জ্যোতি নেওগ
সহযোগী অধ্যাপক আৰু বিভাগীয় প্ৰধান
Dr. Subrat Jyoti Neog
Associate Prof. and Head of Dept.

### Publication in UGC care listed Journal

- "আমিষ ঃ অধিবাস্তৱবাদেৰে সমৃদ্ধ চলচ্চিত্ৰ" (Aamis: A Surrealist Film), *Satsari*, January 2020, ISSN 2319-8893
- "সাম্প্ৰতিক ভাৰতীয় আঞ্চলিক চলচ্চিত্ৰ" (Contemporary Indian Regional Films), *Satsari*, March 2020, ISSN 2319-8893
- "অসমীয়া চলচ্চিত্ৰ সাহিত্য" (Assamese Film literature), *Gariyashi*, September,2020, ISSN 2349-5324
- "সেউজী-অধ্যয়নৰ আলোকত সাম্প্ৰতিক নাটক" (Contemporary Assamese Drama: A study in the light of Green-Studies), *Satsari*, Dec 2020.

### Other Publications in Periodicals

- "চলচ্চিত্ৰৰ ৰসাস্বাদন ঃ এক অনুভৱ" (An article on film Appreciation), *Prantik*, 1st June 2020, ISSN 0971-5932
- "সাম্প্ৰতিক উত্তৰ-ঔপনিৱেশিক ভাৰতীয় চলচ্চিত্ৰ" (Contemporary Post Colonial Indian Films), *Janambhumi*, 1st April 2020
- "নৰেন পাটগিৰিৰ নাটক" (Naren Patgiri's Play), *Geet*, March 2020
- "আন্তৰ্জাতিক প্ৰেক্ষাপটত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ নাৰী", *Amar Asom*, 8th March 2020
- "জীৱন, বিজ্ঞান আৰু উপলব্ধি' (A review on the Book 'Jiban,Bijnan aru Upalabdhi), *Dainik Janambhumi*, 19th June 2020
- "দ্যা লাষ্ট চেপ্টাৰ" (The Last Chapter-A film Review), *Geet*,March 2020
- "নাটক আৰু চলচ্চিত্ৰৰ ইতিবাচক প্ৰভাৱ" (Postitive Influence of Drama and Film), *Dainik Janambhumi*, 8th Feb 2020
- "Pradip Kurbah's film : An analytical study", E-CineIndia, December 2020.
- "চলচ্চিত্ৰীয় বাস্তৱতা" (Cinematic Realism), *Xahitya.org*, Dec 2020

### Invited Talk

- Invited as a Resource Person for the Web-talk on the theme "Eco-criticism and Assamese Drama", organised on 12th July 2020 by the Youth Minds, Guwahati.



ড° জুৰি দত্ত
সহকাৰী অধ্যাপক
**Dr. Juri Dutta**
Asstt.Professor

### Publication in UGC care listed Journal

- "সংকটকালীন সাহিত্য আৰু অধ্যয়নৰ প্ৰাসংগিকতা", (Literature at the Time of Crisis and the Relevance of Studying Literature) in *Satsari*, Vol No 16, Issue No 2, September, 2020. Pp 27-37
- "নতুন ইতিহাসবাদ আৰু ইয়াৰ প্ৰাসংগিকতা", (New Historicism and its Relevance) in *Satsari*, Vol No 15, Issue No 8, February, 2020. Pp 43-48

### Other Articles Published in Periodicals

- "বিজু পিয়াৰৰ হাঁহি আৰু স্বাধীনতাৰ গল্প" (Biju Piyar's Smile and the Story of Independence) in *Prakash* (ISSN 2279-0683), Edited by Mihir Deuri and published by Publication Board Assam (November, 2020) Third Phase: Vol 200, Pp 55-58
- "টা চেনৰ বাবে শুভযাত্ৰা" (Translation of Wan Kharkrang's original story), *Monikut.com*, August 2020.

### Invited Talk

- Invited as a Resource Person for the Web Talk on the theme "ভাৰতীয় সাহিত্য আৰু অনুবাদৰ প্ৰাসংগিকতা", (Indian Literature, Relevance of Translation) organized on 8 September, 2020, by the Grantha and Cinta Prabah Group and Asam Book Trust.

### Faculty Development Programme

- Participated in a Week long Faculty Development Programme (FDP) on "আধুনিক অসমীয়া সাহিত্যত পাশ্চাত্য সাহিত্যৰ প্ৰসংগ" (Reference of Western Literature in Modern Assamese Literature) from 17 August, 2020 to 22 August, 2020.

### Papers presented in Seminars/Conferences

- **International**

Presented a paper titled "Problem of Equivalence: A Study of Two Assamese Novels in English Translation" in an International Webinar on Assamese Literature in Translation: Theory and Practice organized by Department of Modern Indian Languages and Literary Studies, University of Delhi, Delhi on 27 and 28 November, 2020.

### Webinar/Conferences/Workshops attended

- Participated in the Expert Conversation on "Ethnoliterature and the Environment in the North East Indian Literary context" organized by School of English, Kumaraguru College of Liberal Arts and Science, Coimbatore on 7 August, 2020
- Participated in an International Webinar on Need for Gender Research on COVID 19 Global Pandemic: Challenges and Prospects organized by P G Department of gender Studies and Sarala Devi Centre for Gender Research, Rama Devi Women's University, Bhubaneswar on 4 July, 2020
- Participated in a National Webinar on Women and Health Inequalities: An Action Approach during COVID 19 Crisis organized by Chandraprabha Saikiani Centre for Women Studies, Tezpur University on 24 June, 2020
- Participated in a National Webinar on Gender Inequalities and COVID 19: Survival Strategies for Women organized by Chandraprabha Saikiani Centre for Women Studies, Tezpur University on 17 June, 2020

# শিক্ষকৰ পৃষ্ঠা ।। প্ৰকাশিত গৱেষণা-পত্ৰ আৰু অন্যান্য (জানুৱাৰী-ডিচেম্বৰ, ২০২০)

## PUBLICATIONS AND ACADEMIC ACTIVITIES OF FACULTY (January-December, 2020)



ড° সঞ্জীৱ ডেকা
সহকাৰী অধ্যাপক
**Dr. Sanjib Deka**
Asstt.Professor

**Book Published**

- *বৰমঝিলী* (*Barmajhili*, Short Story Collection in Assamese, Published by Panchajanya, Guwahati, 2020. ISBN: 978-93-8864598-0).
- *হেমপ্ৰভা দাস ৰচনা সম্ভাৰ* (*Hemaprabha Das Racana Sambhar*, Edited with an Introduction, Published by Assam Publishing Company, 2020, ISBN: 978-81-86485-08-1).

**Other Publications**

- *আলাপ* (*Alap*, Edited, an academic journal, 6th Issue)
- 'What Lies Over Here?' (Short Story published in *How to Tell the Story of an Insurgency,* Edited by Aruni Kashyap, Published by HarperCollins Publishers India, 2020, ISBN: 978-93-5357-652-3).

**Invited Talk**

- Delivered a lecture on "Mamoni Raisom Goswamir Rajnaitik Cetana" in a panel discussion on the Contribution of Mamoni Raisom Goswami organized by Nezine on June 21, 2020. (https://www.youtube.com/watch?v=0CGQFlpzHAY&t=1423s).
- Delivered a Talk entitled "Introducing Medieval Assamese" organized by Kuhipaath in collaboration with Centre for Indigenous Endangered Languages, Dr. Shyama Prasad Mukherjee University, Ranchi. August 23, 2020. (https://www.youtube.com/watch?v=TmTXhTq-3DA&t=1098s).
- Convenor, Moderator and Panellist of the Maheswar Neog Memorial discussion on "Life and Works of Professor Maheswar Neog" organized by Professor Maheswar Neog Memorial Trust. 13th September 2020 (https://www.youtube.com/watch?v=R9U2MSSvYIl&t=11342s).
- Delivered a speech on 'The Curious Translation of Sutika Patal: Print, New Literate Sphere and the Practice of the Pre-modern Verse Texts in Colonial Assam' in a Webinar on 'Assamese Literature in Modern Era organized by Indira Gandhi National Centre for the Arts, Regional Centre (NERC) Guwahati, 27th November, 2020.

**Member Nominated**

- Nominated as a Member of Children's Literary Trust, Assam.

---



জোতিষ্মান দাস
সহকাৰী অধ্যাপক
**Jyotishman Das**
Asstt.Professor

**Publication in UGC care listed Journal**

- "জাতিৰ ঘাইঘৰৰ ভেটি গঢ়োতা শিক্ষক-সহিত্যিক পদ্মনাথ" (Padmanath: The Pioneer of Assamese Society), *Satsari*, October, 2020, ISSN 2319-8893.
- "Radha Govinda Baruah(1900-1977): The Architect of Modern Assam and his times", *International Journal of Management*, November, 2020, ISSN Print-0976-6502, Online-0976-6510.

**Other Publication**

- "Assamese Campus Novel of 21st Century: An Introductory Discourse", *International Journal of All Research Education and Scientific Method*, November 2020, ISSN 2455-6211.

**Invited Talk**

- Resource Person of the webinar on "Historical Background of Kaivartas of Assam", organised by Centre for Ethnic Studies and Research and Kaivarta Sahitya aru Sanskritik Sabha, Assam, 2nd August, 2020.
- Radio talk on "Ecocriticism and Assamese Literature" on Gyanmailinee Community Radio, Dibrugarh University, 30th July 2020.

**Faculty Development Programme/ Worshop Attended**

- Participated in one week online faculty development programme on Research Methodology organized by Kumar Bhaskar Varma Sanskrit and Ancient Studies University and Barbhag College, 24th June, 2020-30th June,2020.
- Participated in weeklong online workshop on Assessment and Evaluation, organized by Teaching Learning Centre, Tezpur University, 24th August – 29th August, 2020.
- Participating in the Workshop on Development of E-module in Four Quadrant Approach organised by TLC, Tezpur University, 11-12 December, 2020.

# শিক্ষাৰ্থীৰ পৃষ্ঠা ।। কৃতিত্ব আৰু অন্যান্য

## STUDENTS’ ACHIEVEMENT



### বিশ্ববিদ্যালয় অনুদান আয়োগৰ কনিষ্ঠ গৱেষণা বৃত্তি

স্নাতকোত্তৰ মহলাৰ ছাত্ৰ দেৱাশিস বুঢ়াগোহাঁয়ে বিশ্ববিদ্যালয় অনুদান আয়োগৰদ্বাৰা আয়োজিত সৰ্বভাৰতীয় ‘নেট’ পৰীক্ষা (নৱেম্বৰ, ২০২০)ত উত্তীৰ্ণ হৈ কনিষ্ঠ গৱেষণা বৃত্তি লাভ কৰিছে।

### UGC NET JRF Award

Debasish Buragohain, a student of M.A. received the Junior Research Fellowship Award from UGC on November,2020.

## ২০২০-২১ বৰ্ষৰ স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিকৰ শিক্ষাৰ্থীসকল

## THE FIRST BATCH OF STUDENTS, 2020-21



*(From Left)* Anjelika Saikia, Arpana Das, Azizur Rahman, Barsha Baishya, Bhabani Gogoi, Bijumoni Lahan, Chandana Das, Debasish Buragohain, Dikshita Dutta, Hirajyoti Dutta, Kiran Das, Madhumita Ghosh, Momi Dutta, Nayan Chetia, Nishamoni Mahanta, Pranchi Bora, Pritisikha Saikia, Ripu Kachari, Santana Borah and Upasana Bora


Chief Patron : Prof. V. K. Jain, Vice-Chancellor, Tezpur University
Editor : Jyotishman Das
Editorial Team : Dr. Subrat Jyoti Neog, Dr. Juri Dutta, Dr. Sanjib Deka
Layout : Arup Konwar
Contact : 0-3712-273240, deptofassamese.tu@gmail.com, hod_assamese@tezu.ernet.in
Website : http://www.tezu.ernet.in/das/